[২০১৭] ১২ এছ. চি. আৰ. ৭৯

কমলাক্ষ দে পুৰকায়স্থ আৰু অন্যান্য

বনাম

ভাৰত চৰকাৰ আৰু অন্যান্য

(লেখ আৰেদন (দেৱানী) নং ১০২০ চন ২০১৭)

৫ ডিচেম্বৰ, ২০১৭

**[ন্যায়াধীশ ৰঞ্জন গগৈ আৰু আৰ. এফ. নাৰিমন]**

*নাগৰিকত্ব (নাগৰিক পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয় পত্ৰ প্ৰদান) নিয়মাৱলী, ২০০৩- অনুসূচী (অসম ৰাজ্যত ভাৰতীয় নাগৰিকৰ ৰাষ্ট্ৰীয় পঞ্জী প্ৰস্তুত কৰাৰ পদ্ধতি সম্পৰ্কে বিশেষ ব্যৱস্থা)- দফা ৩(৩)- ভাৰতীয় নাগৰিকৰ ৰাষ্ট্ৰীয় পঞ্জী- অসম ৰাজ্যৰ প্ৰকৃত বাসিন্দা সকলক অন্তৰ্ভুক্ত কৰাৰ দাবী উত্থাপন- অভিব্যক্তি "মূলতঃ অসম ৰাজ্যৰ বাসিন্দা"- ইয়াৰ স্পষ্টীকৰণ- বিচাৰ কৰা হয়- অসমৰ মূল বাসিন্দা হিচাপে মানুহক চিনাক্তকৰণে এন আৰ চি (ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী)ত অন্তৰ্ভুক্ত হোৱাত কোনো প্ৰভাৱ পেলোৱা নাই। এন আৰ চিত অন্তৰ্ভুক্ত কৰাটো কেৱল নাগৰিকত্বৰ প্ৰমাণৰ ওপৰত ভিত্তি কৰিহে হয়, কোনোবা এজন আদি বাসিন্দা হয় নে নহয় তাৰ ওপৰত নহয়। এনে চিনাক্তকৰণেও কোনো বিশেষ প্ৰাপ্যতা বা সুবিধা প্ৰদান নকৰে - আশংকা যে ভাৰতীয় নাগৰিকৰ ৰাষ্ট্ৰীয় পঞ্জীত (এন আৰ চি ) অন্তৰ্ভুক্তিৰ বাবে দাবীসমূহৰ পৰীক্ষণ প্ৰক্ৰিয়াৰ দ্বাৰা মূলতঃ অসম ৰাজ্যৰ বাসিন্দা বুলি কৰা দাবীৰ ভিত্তিত এক উচ্চ শ্ৰেণীৰ নাগৰিক সৃষ্টি হোৱাটো সম্পূৰ্ণ ভিত্তিহীন- এন আৰ চি উন্নীতকৰণৰ প্ৰক্ৰিয়া অসম ৰাজ্যৰ মূল বাসিন্দা কোন সেইটো চিনাক্তকৰণ আৰু নিৰ্ণয়ৰ উদ্দেশ্য নহয় - এন আৰ চিত অন্তৰ্ভুক্ত হোৱাৰ একমাত্ৰ পৰীক্ষাটো হ'ল যে ভাৰতৰ সংবিধানৰ অধীনত আৰু তাৰ নাগৰিকত্ব আইনৰ ধাৰা ৬এ কে ধৰি আন ধাৰাৰ অধীনত প্ৰাপ্ত নাগৰিকত্ব - যিসকল নাগৰিক মূলতঃ অসম ৰাজ্যৰ বাসিন্দা আৰু যিসকল অসম ৰাজ্যৰ বাসিন্দা নহয় তেওঁলোকো এন আৰ চিত অন্তৰ্ভুক্তিৰ বাবে সমান অধিকাৰ প্ৰাপ্ত ।*

**লেখ আবেদন আৰু অন্তৰ্বৰ্তী আবেদনসমূহ নিষ্পত্তি কৰি আদালতে বিচাৰ কৰে যে-**

১.১ অনুসূচীৰ ৩ (৩) নং দফাত (অসম ৰাজ্যত ভাৰতীয় নাগৰিকৰ ৰাষ্ট্ৰীয় পঞ্জী প্ৰস্তুত কৰাৰ পদ্ধতি সম্পৰ্কে বিশেষ ব্যৱস্থা) নাগৰিকত্ব (নাগৰিক পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয় পত্ৰ প্ৰদান) নিয়মাৱলী, ২০০৩ ৰ ৩(২) নং দফাত উল্লেখ কৰা প্ৰক্ৰিয়াৰ পৰা পৃথক প্ৰক্ৰিয়া দ্বাৰা ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী (এন. আৰ. চি.) -ত অন্তৰ্ভুক্ত হোৱাৰ অধিকাৰ থকা ব্যক্তিসকলৰ চিনাক্তকৰণৰ ব্যৱস্থা কৰা হৈছে আৰু সেয়েহে উক্ত দফা অৰ্থাৎ ৩ (৩)-ত ইয়াৰ ব্যতিক্ৰম । দফা ৩ (৩)-ত অসম ৰাজ্যৰ মূল বাসিন্দা ব্যক্তিসকলৰ ক্ষেত্ৰত এন. আৰ. চি.-ত অন্তৰ্ভুক্ত কৰাৰ দাবীৰ সিদ্ধান্ত লোৱাৰ বাবে কম কঠোৰ আৰু শক্তিশালী প্ৰক্ৰিয়া কথা বিবেচনা কৰা হৈছে। অসম ৰাজ্যৰ মূল বাসিন্দাৰ বিপৰীতে যিসকল মূল বাসিন্দা নহয় তেওঁলোকক চিনাক্ত কৰাটোৱে এন. আৰ. চি.-ত অন্তৰ্ভুক্ত কৰাৰ কোনো অধিকাৰ নিৰ্ধাৰণ নকৰে যিটোৰ ভিত্তি কেৱল নাগৰিকত্বৰ প্ৰমাণৰ বাদে আৰু আন একো নহয়। এনে চিনাক্তকৰণে কোনো বিশেষ অধিকাৰ বা লাভ প্ৰদান নকৰে। দৰাচলতে এই আদালতত বিদ্বান সমন্বয়কে জমা দিয়া প্ৰতিবেদনসমূহৰ কেইবাখনতো এই কথা স্পষ্ট কৰা হৈছে। [দফা 4] [৪3-বি-ডি]

লেখ আৱেদন আৰু অন্তৰ্ৱৰ্তী আবেদনসমূহত কৰা প্ৰাৰ্থনা এই আশংকাৰ ওপৰত আধাৰিত যে অসম ৰাজ্যৰ মূল বাসিন্দা বুলি কৰা দাবী কৰাৰ ভিত্তিত এন. আৰ. চি.-ত অন্তৰ্ভুক্ত কৰাৰ দাবীৰ দ্বাৰা এক উন্নত শ্ৰেণীৰ নাগৰিক সৃষ্টি কৰা হৈছে। আবেদনকাৰী আৰু লেখ আবেদনকাৰীসকলৰ মতে অসম ৰাজ্যৰ মূল বাসিন্দা কোন সেই প্ৰশ্নটোৱে শিক্ষা, নিযুক্তি আদিৰ সুযোগৰ ক্ষেত্ৰত এনে ব্যক্তিসকলৰ, অৰ্থাৎ দ্বিতীয় শ্ৰেণী নাগৰিকসকলৰ ক্ষেত্ৰত প্ৰভাৱ পেলায়, যিসকল মূলতঃ অসমৰ বাসিন্দা নহয়। এনে সকলো আশংকা সম্পূৰ্ণৰূপে ভিত্তিহীন। এন আৰ চি উন্নীতকৰণৰ প্ৰক্ৰিয়া অসম ৰাজ্যৰ মূল বাসিন্দা কোন সেইটো চিনাক্তকৰণ আৰু নিৰ্ণয়ৰ উদ্দেশ্য নহয় - এন আৰ চিত অন্তৰ্ভুক্ত হোৱাৰ একমাত্ৰ পৰীক্ষাটো হ'ল যে ভাৰতৰ সংবিধানৰ অধীনত আৰু তাৰ নাগৰিকত্ব আইনৰ ধাৰা ৬এ কে ধৰি আন ধাৰাৰ অধীনত প্ৰাপ্ত নাগৰিকত্ব - যিসকল নাগৰিক মূলতঃ অসম ৰাজ্যৰ বাসিন্দা আৰু যিসকল অসম ৰাজ্যৰ বাসিন্দা নহয় তেওঁলোকো এন আৰ চিত অন্তৰ্ভুক্তিৰ বাবে সমান অধিকাৰ প্ৰাপ্ত । যিসকল নাগৰিক মূলতঃ অসম ৰাজ্যৰ বাসিন্দা আৰু যিসকল অসম ৰাজ্যৰ বাসিন্দা নহয় তেওঁলোকো এন আৰ চিত অন্তৰ্ভুক্তিৰ বাবে সমান অধিকাৰ প্ৰাপ্ত । ইয়াৰ প্ৰতি লক্ষ্য ৰাখি এই লেখ আবেদন আৰু অন্তৰ্ৱৰ্তীকালিন আবেদন (সমূহ) ত বিচৰা "অসম ৰাজ্যৰ মূল বাসিন্দা"

**অভিব্যক্তিটোৰ সম্পৰ্কে কোনো নিৰ্দেশনা বা স্পষ্টীকৰণ জাৰি কৰাৰ কোনো কাৰণ নাই। [দফা 5-7] [83-ই-এইচ; 84-এ-বি]**

দেৱানী মূল অধিকাৰক্ষেত্ৰ : লেখ আবেদন (দেৱানী) নং ১০২০/২০১৭

ভাৰতৰ সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত৷

সংলগ্ন আবেদন

লেখ আবেদন (দেৱানী) নং ১০৯৫, ১১০১, ১০৯৬, ১১০৪ আৰু ১১৪৭ চন ২০১৭

অন্তৰ্বৰ্তীকালিন আবেদন নং ১০১৬৮৭ চন ২০১৭

বিশেষ অনুমতি আবেদন (দেৱানী) নম্বৰ ১৩২৫৯ চন ২০১৭

কে. কে. বেণুগোপাল, এ. জি., তুষাৰ মেহতা, এ. এছ. জি., শ্ৰীমতী ইন্দিৰা জয়সিং, কমল নয়ন চৌধুৰী, ছলমান খুৰ্ছিদ, বি. এইচ. মাৰ্লাপল্লে, জ্যেষ্ঠ অধিবক্তা, শ্ৰীমতী অজিতা শৰ্মা, ৰোহিত ঘোষ, ফুজেল আহমেদ আয়ুবী, অৰবিন্দ কুমাৰ শৰ্মা, মনীষ গোস্বামী, ৰামেশ্বৰ প্ৰসাদ গোৱেল, শান্তি ৰঞ্জন দাস, অনিন্দো মুখাৰ্জী, শ্ৰীমতী সৰলা চন্দ্ৰ, সোমিৰণ শৰ্মা, অমিত কুমাৰ, চৈয়দ বুৰহানুৰ ৰহমান, গৌৰৱ আগৰৱাল, এ. এছ. তাপাদৰ, অজিত ৱাঘ, আদিত্য গাগৰ, অপুৰ্ব শুক্লা, ও. পি. গাগ্নৰ, শ্ৰীমতী বিনু তাম্টা, শ্ৰীমতী ৰশ্মি মালহোত্ৰা, শ্ৰীমতী ৰেখা পাণ্ডে, আৰ. এম. বাজাজ, ৰজত নায়াৰ, বি. ভি. বলৰামদাস, শ্ৰীমতী দীক্ষা ৰায়, শ্ৰীমতী কনিকা সাৰণ, পক্ষসমূহৰ অধিবক্তা৷

আদালতৰ ৰায় প্ৰদান কৰে-

**ন্যায়াধীশ ৰঞ্জন গগৈয়ে**

১. পক্ষসমূহৰ পৰা বিদ্বান অধিবক্তাসকলৰ যুক্তি শুনা হল ।

২. নাগৰিকত্ব (নাগৰিকৰ পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয় পত্ৰ প্ৰদান) নিয়মাৱলী, ২০০৩-ৰ অনুসূচীৰ ৩ (৩) নং দফাত (অসম ৰাজ্যত ভাৰতীয় নাগৰিকৰ ৰাষ্ট্ৰীয় পঞ্জী প্ৰস্তুত কৰাৰ পদ্ধতি সম্পৰ্কে বিশেষ ব্যৱস্থা) "অসম ৰাজ্যৰ মূল বাসিন্দা" অভিব্যক্তি কেনেদৰে ব্যাখ্যা কৰিব লাগে সেই সম্পৰ্কে আদালতৰ পৰা নিৰ্দেশনা বিচাৰি বিবেচনাধীন লেখ আবেদন আৰু অন্তৰ্বৰ্তীকালিন আবেদন দাখিল কৰা হৈছে আৰু ইয়াৰ উপৰিও, তেওঁলোকে এই শ্ৰেণীৰ অন্তৰ্গত লোকসকলক চিনাক্ত কৰিবলৈ প্ৰক্ৰিয়াটোৰ ওপৰত নিৰ্দেশনা বিচাৰে।

৩.  ৩(৩) দফাকে ধৰি অনুসূচীৰ প্ৰাসংগিক দফাবোৰ তলত উল্লেখ কৰা ধৰণৰঃ

**"2. অসম ৰাজ্যত ভাৰতীয় নাগৰিকৰ ৰাষ্ট্ৰীয় পঞ্জীৰ খচৰা প্ৰস্তুত কৰাৰ পদ্ধতি-**

(1) (a) ....................

(b) ........................

(c) .........................

(২) নাগৰিক পঞ্জীয়নৰ স্থানীয় পঞ্জীয়কে আবেদন পত্ৰ প্ৰদান কৰা ঠাইতে পূৰণ কৰা আবেদন প্ৰ-পত্ৰ গ্ৰহণ কৰিব লাগিব আৰু আবেদনকাৰীক তাৰ প্ৰাপ্তিৰ ৰচিদ প্ৰদান কৰিব লাগিব।

(৩) নাগৰিক পঞ্জীয়নৰ স্থানীয় পঞ্জীয়কে উপ-দফা (২) ৰ অধীনত আবেদন পত্ৰ গ্ৰহণ কৰাৰ পিছত আবেদন পত্ৰবোৰ পৰীক্ষা কৰিব আৰু ইয়াৰ সত্যাপন পিছত ইয়াৰ এক সংহত তালিকা প্ৰস্তুত কৰিব য'ত নিম্নলিখিত ব্যক্তিসকলৰ নাম থাকিব, অৰ্থাৎ -

(a) ১৯৭১ চনৰ ২৪ মাৰ্চৰ মাজনিশা লৈকে প্ৰস্তুত হোৱা ভোটাৰ তালিকা বা ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত নাম থকা ব্যক্তি;

(b) ওপৰৰ দফা (a) ত উল্লেখ কৰা ব্যক্তিসকলৰ বংশধৰ;

**৩.  আবেদনসমূহৰ পৰীক্ষা-**

(১) দফা ২ৰ উপ-দফা (৩) ৰ অধীনত লাভ কৰা আবেদনসমূহৰ নিৰীক্ষণ আবেদন প্ৰ-পত্ৰত উল্লেখ কৰা তথ্যসমূহ চৰকাৰী অভিলেখৰ সৈতে মোকাবিলা কৰি কৰা হ’ব আৰু যিসকল ব্যক্তিৰ তথ্যসমূহ উপযুক্ত ক্ৰমত পোৱা যায়, তেওঁলোকৰ নাম সংহত তালিকাত অন্তৰ্ভুক্তিৰ বাবে যোগ্য হ’ব ।

(২) উপযুক্ত কৰ্তৃপক্ষৰ দ্বাৰা অবৈধ প্ৰব্ৰজনকাৰী বা বিদেশী হিচাপে ঘোষণা কৰা ব্যক্তিসকলৰ নাম সংহত তালিকাত অন্তৰ্ভুক্ত কৰা নহ'বঃ

অৱশ্যে ১৯৬৬ চনৰ পিছত আৰু ১৯৭১ চনৰ ২৫ মাৰ্চৰ পূৰ্বে অসম ৰাজ্যলৈ অহা আৰু বিদেশী পঞ্জীয়ন আঞ্চলিক বিষয়াৰ ওচৰত নিজকে পঞ্জীয়ন কৰা আৰু উপযুক্ত কৰ্তৃপক্ষই অবৈধ প্ৰব্ৰজনকাৰী বা বিদেশী হিচাপে ঘোষণা নকৰা ব্যক্তিসকলৰ নাম সংহত তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে যোগ্য বিবেচিত হ'ব।

(৩) **<u>অসম ৰাজ্যৰ মূল বাসিন্দা</u>** আৰু তেওঁলোকৰ সন্তান আৰু বংশধৰ, যিসকল ভাৰতৰ নাগৰিক, তেওঁলোকৰ নাম সংহত তালিকাত অন্তৰ্ভুক্ত কৰা হ'ব যদিহে পঞ্জীয়ন কর্তৃপক্ষই এনে ব্যক্তিৰ নাগৰিকত্ব যুক্তিসঙ্গত সন্দেহৰ উর্ধত আৰু সন্তোষজনকভাৱে বাবে নিশ্চিত কৰে; (আণ্ডাৰলাইনিং আমাৰ)

(৪) নাগৰিক পঞ্জীয়নৰ স্থানীয় পঞ্জীয়কে ২ নং দফাৰ উপ-দফা (৩) ৰ অধীনত প্রাপ্ত আবেদনত উল্লেখ কৰা পিতৃ-মাতৃৰ সম্পৰ্কৰ সন্দৰ্ভত বা আবেদনত উল্লেখ থকা কোনো নথিৰ ওপৰত কিবা সন্দেহ হলে বিষয়টো তদন্ত কৰি সিদ্ধান্ত লোৱাৰ বাবে জিলা দণ্ডাধীশলৈ প্রেৰণ কৰিব আৰু তেওঁৰ সিদ্ধান্ত নাগৰিক পঞ্জীয়নৰ স্থানীয় পঞ্জীয়কে সেই ব্যক্তি বা পৰিয়ালটোক জনাব।

৪. দফা ৩ (৩)-য়ে দফা ৩ (২)-ত উল্লেখ কৰা প্রক্রিয়া পৰা পৃথক প্রক্রিয়া দ্বাৰা ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী (এন. আৰ. চি.)-ত অন্তৰ্ভুক্ত হোৱাৰ অধিকাৰ থকা ব্যক্তিসকলক চিনাক্ত কৰাৰ ব্যৱস্থা কৰে আৰু সেয়েহে উক্ত দফা অর্থাৎ ৩ (৩) ইয়াৰ ব্যতিক্রম । দফা ৩ (৩)-ত অসম ৰাজ্যৰ মূল বাসিন্দা ব্যক্তিসকলৰ ক্ষেত্ৰত এন. আৰ. চি.-ত অন্তৰ্ভুক্ত কৰাৰ দাবীৰ সিদ্ধান্ত লোৱাৰ বাবে কম কঠোৰ আৰু শক্তিশালী প্রক্রিয়া কথা বিবেচনা কৰা হৈছে। অসম ৰাজ্যৰ মূল বাসিন্দাৰ বিপৰীতে যিসকল মূল বাসিন্দা নহয় তেওঁলোকক চিনাক্ত কৰাটোৱে এন. আৰ. চি.-ত অন্তৰ্ভুক্ত কৰাৰ কোনো অধিকাৰ নির্ধাৰণ নকৰে যিটোৰ ভিত্তি কেৱল নাগৰিকত্বৰ প্ৰমাণৰ বাদে আৰু আন একো নহয়। এনে চিনাক্তকৰণে কোনো বিশেষ অধিকাৰ বা লাভ প্রদান নকৰে। দৰাচলতে এই আদালতত বিদ্বান সমন্বয়কে জমা দিয়া প্রতিবেদনসমূহৰ কেইবাখনতো এই কথা স্পষ্ট কৰা হৈছে।

৫. লেখ আবেদনকাৰী/আবেদনকাৰীসকলৰ বাবে অধিবক্তাসকলে শুনানিৰ সময়ত স্বীকাৰ কৰা অনুসৰি লেখ আবেদন আৰু অন্তৰ্বৰ্তী আবেদনসমূহত কৰা প্রার্থনা এই আশংকাৰ ওপৰত আধাৰিত যে অসম ৰাজ্যৰ মূল বাসিন্দা বুলি কৰা দাবী কৰাৰ ভিত্তিত এন. আৰ. চি.-ত অন্তৰ্ভুক্তিৰ বাবে পৰীক্ষণ প্রক্রিয়াৰ দ্বাৰা এক উন্নত শ্রেণীৰ নাগৰিক সৃষ্টি কৰা হৈছে। আবেদনকাৰী আৰু লেখ আবেদনকাৰীসকলৰ মতে অসম ৰাজ্যৰ মূল বাসিন্দা কোন সেই

প্ৰশ্নটোৱে শিক্ষা, নিযুক্তি আদিৰ সুযোগৰ ক্ষেত্ৰত এনে ব্যক্তিসকলৰ, অৰ্থাৎ দ্বিতীয় শ্ৰেণী নাগৰিকসকলৰ ক্ষেত্ৰত প্ৰভাৱ পেলাব যিসকল মূলতঃ অসমৰ বাসিন্দা নহয়।

৬. এনে সকলো আশংকা সম্পূৰ্ণৰূপে ভিত্তিহীন। এন আৰ চি উন্নীতকৰণৰ প্ৰক্ৰিয়া অসম ৰাজ্যৰ মূল বাসিন্দা কোন সেইটো চিনাক্তকৰণ আৰু নিৰ্ণয়ৰ উদ্দেশ্য নহয় - এন আৰ চিত অন্তৰ্ভুক্ত হোৱাৰ একমাত্ৰ পৰীক্ষাটো হ'ল যে ভাৰতৰ সংবিধানৰ অধীনত আৰু তাৰ নাগৰিকত্ব আইনৰ ধাৰা ৬এ কে ধৰি আন ধাৰাৰ অধীনত প্ৰাপ্ত নাগৰিকত্ব - যিসকল নাগৰিক মূলতঃ অসম ৰাজ্যৰ বাসিন্দা আৰু যিসকল অসম ৰাজ্যৰ বাসিন্দা নহয় তেওঁলোকো এন আৰ চিত অন্তৰ্ভুক্তিৰ বাবে সমান অধিকাৰ প্ৰাপ্ত ।

৭. ওপৰোক্ত দিশবোৰৰ প্ৰতি লক্ষ্য ৰাখি আমি এই লেখ আবেদন আৰু অন্তৰ্বৰ্তীকালিন আবেদন (সমূহ) ত বিচৰা "অসম ৰাজ্যৰ মূল বাসিন্দা" অভিব্যক্তিটোৰ সম্পৰ্কে কোনো নিৰ্দেশনা বা স্পষ্টীকৰণ জাৰি কৰাৰ কোনো কাৰণ নাই যিবোৰ ওপৰত উল্লেখ কৰা আমাৰ নিৰ্দেশনা আৰু পৰ্যবেক্ষণ অনুসৰি নিষ্পত্তি কৰা হৈছে।

লেখ আবেদন আৰু অন্তৰ্বৰ্তীকালিন আবেদন নিষ্পত্তি কৰা হল।

নিধি জৈন

অনুবাদকাৰী- সুচেনজিৎ বায়ন, জেষ্ঠ অনুবাদক

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)